# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

**Date :** 14-03-2024
**Time :** 1715 Hrs.

# *Assamese Evening Bulletin*

ৰাজ্যৰ সৰ্বাংগীন উন্নয়নৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা বিকাশ যাত্ৰাৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ জিলাৰ শুৱালকুছিত ১৫৩ কোটি টকা ব্যয়ৰে বহুকেইটা প্ৰকল্পৰ উদ্বোধন তথা শিলান্যাস কৰে। বস্ত্ৰ নগৰীখনত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে প্ৰথমে ১ কোটি ৩৩ লাখ টকা ব্যয়ৰে মেৰামতি আৰু পুনৰ নিৰ্মাণ কৰা শুৱালকুছি ছুইমিং পুল তথা সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰে। ইয়াৰ পিছত মুখ্যমন্ত্ৰীগৰাকীয়ে ৯৯ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা শুৱালকুছি প্ৰৱেশদ্বাৰত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা আদৰণি তোৰণৰ বৰ্ধিত অংশ উদ্বোধন কৰে। এই কাৰ্যসূচীৰ পিছতে শুৱালকুছি এফ আৰ ইউত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৪৪ কোটি ৮৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া ১০০খন বিছনাযুক্ত শুৱালকুছি চিকিৎসালয়ৰ উন্নীতকৰণৰ শিলান্যাস কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেলী ৪৪ কোটি ৯৯ লাখ টকাৰ শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় আৰু পূব বংশৰ মহাবিদ্যালয়ৰ নিৰ্মাণ আৰু উন্নীতকৰণৰ শিলান্যাস কৰে। তদুপৰি তেওঁ কিচমত বংশৰৰ পৰা পাকৰকোণালৈ পথ নিৰ্মাণ, শুৱালকুছি শ্ৰীশ্ৰীশংকৰদেৱ ধামত শংকৰদেৱ অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ নিৰ্মাণৰ শিলান্যাস, শুৱালকুছি আৰু পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন আৰু নৱীকৃত শুৱালকুছি ইনষ্টিউট অৱ ফেশ্বন টেকন'ল'জিৰ উদ্বোধন কৰে। এই অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

oooooo

অসমত উদ্যোগৰ বাবে অনুকুল পৰিৱেশ সৃষ্টি হোৱাৰ ফলতে যোৱা দুবছৰত ৰাজ্যখনত ৫০ লাখ কোটি টকাৰ বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰত এখন সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰৰ সঠিক নীতিৰ বাবে কেইবাটাও বৃহৎ কোম্পানী অসমত বিনিয়োগৰ বাবে আগ্ৰহী হৈছে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চল উদ্যোগ উন্নীতকৰণ আঁচনিৰ অধীনত ৰাজ সাহায্য হিচাপে কেন্দ্ৰীয় চৰকাৰে মুঠ ১০ হাজাৰ কোটি টকাৰ আৱন্টন দিছে। ড° শৰ্মাই কয় যে এই আঁচনিৰ অধীনত ১ কোটি টকা পৰ্যন্ত ব্যয়সাপেক্ষ উদ্যোগ স্থাপন কৰাসকলক ৭ দশমিক ৫ শতাংশ ৰাজ সাহায্য প্ৰদান কৰা হ'ব। একে সময়তে বেংক ঋণতো তেওঁলোকে ৫ শতাংশ সকাহ লাভ কৰিব। তেওঁ কয় যে উৎপাদন খণ্ডৰ সৈতে জড়িত উদ্যোগ স্থাপন কৰাসকলেও এই আঁচনিৰ অধীনত কেন্দ্ৰীয় জি এছ টিৰ ধন ঘূৰাই পাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ঋণ নিশ্চয়তা আঁচনিৰ অধীনত মূলধনী ধন ঘূৰাই দিয়াৰ বাবে SIDBI-ৰ সৈতে হোৱা চুক্তি অনুসৰি বিভিন্ন ৰাষ্ট্ৰীয়কৃত বেংকে অসমৰ ক্ষুদ্ৰ উদ্যোগসমূহক ২০ লাখ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে সেউজ শক্তি উদ্যোগত উৎসাহিত কৰাৰ নীতি, অসম বৈদ্যুতিক উদ্যোগক উৎসাহ প্ৰদান কৰাৰ ব্যৱস্থাও কৰিছে, যাতে অনাগত দিনত বিভিন্ন বৈদ্যুতিক সামগ্ৰীৰ উদ্যোগৰ ব্যৱস্থা কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে অনাগত দিনত ৰাজ্যখনত উদ্যোগৰ ক্ষেত্ৰত অধিক অগ্ৰসৰ হোৱাৰ পথ প্ৰশস্ত বুলিও মন্তব্য কৰে।

oooooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কোকৰাঝাৰ ভ্ৰমণ কৰি ইউ পি পি এল-বিজেপি, আৰু অসম গণ পৰিষদ দলৰ কৰ্মকৰ্তাসকলৰ এখন বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত বড়োলেণ্ড স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৱে পৰম্পৰাগত পোচাক, এখন আৰনাই আৰু বড়ো থলুৱা বাদ্যযন্ত্ৰ চেৰজাৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আদৰণি জনায়। বৈঠকত অসম বিজেপিৰ সভাপতি ভৱেশ কলিতা, কেবিনেট মন্ত্ৰী ৰণজিত কুমাৰ দাস, কোকৰাঝাৰৰ বিধায়ক লৰেন্স ইছলাৰীকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে আজি বৰপেটাত এখন জনসভাত অংশগ্ৰহণ কৰে। এই সভাত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

oooooooo

উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সামগ্ৰিক উন্নয়নৰ ওপৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰাৰ বাবেই বিগত ১০ বছৰত অঞ্চলটোত উল্লেখনীয় পৰিৱৰ্তন সাধন হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি আই আই টি, গুৱাহাটীত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে আৰোপ কৰা গুৰুত্বৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসকলৰ ভিতৰত প্ৰায় কেইগৰাকী মন্ত্ৰীয়ে যোৱা ১০ বছৰত ৮৫০ বাৰ অঞ্চলটো ভ্ৰমণ কৰিছে। আই আই টি, গুৱাহাটীত 'বিকশিত ভাৰত এম্বেছাদৰ কেম্পাছ ডাইলগ' শীৰ্ষক অনুষ্ঠানত মূল বক্তৃতা প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে আৰু অঞ্চলটোৰ যুৱ প্ৰজন্ম যথেষ্ট উৎসাহী আৰু উদ্যমী। প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবৰ ৰাজ্যসমূহক ভাৰতৰ উন্নয়নৰ ইঞ্জিন হিচাপে অভিহিত কৰিছে। আনহাতে, এই ৰাজ্যসমূহে সকলোধৰণৰ সুবিধা লাভ কৰাটো কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

oooooooo

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত খুশ্ৰাবাৰীত আজি ইউ পি পি এল দলৰ এখন যোগদান সভা অনুষ্ঠিত হয়। এই সভাত বাক্সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ বিপিএফ দলৰ পাৰিষদ জয় মুছাহাৰীসহ প্ৰায় ৩ হাজাৰ বিপিএফ কৰ্মীয়ে ইউ পি পি এলত যোগদান কৰে।

ooooo

**সমাপ্ত**